# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ৬২০/২০১৯

## মুখ্যমন্ত্ৰীয়ে উদ্বোধন কৰিলে শ্ৰীশ্ৰী নৱগ্ৰহ শ্মশান নিৰামূহীয়া শিৱ মন্দিৰৰ নৱনিৰ্মিত মন্দিৰ গৃহ

### আধুনিক যুগৰ প্ৰত্যাহ্বানৰ প্ৰত্যুত্তৰ দিবলৈ আধ্যাত্মিক চেতনা শক্তি জাগৃত কৰিব লাগিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৩০ ডিচেম্বৰঃ** 'আজিৰ যুগত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই সমাজলৈ বহু প্ৰগতি কঢ়িয়াই আনিছে। যোগাযোগকে ধৰি সমাজৰ সকলো ক্ষেত্ৰৰে বিকাশ ঘটিছে। কিন্তু এই প্ৰগতিৰ সমান্তৰালভাৱে সমাজলৈ বহু প্ৰত্যাহ্বান অনিছে। মূল্যবোধৰ অৱক্ষয় ঘটিছে। এই প্ৰত্যাহ্বানৰ প্ৰত্যুত্তৰ দিবলৈ আমি আধ্যাত্মিক চেতনা শক্তিৰে নিজকে উদ্বুদ্ধ কৰিব লাগিব।' আজি গুৱাহাটীৰ শিলপুখুৰীত অৱস্থিত শ্ৰীশ্ৰী নৱগ্ৰহ শ্মশান নিৰামূহীয়া শিৱ মন্দিৰৰ নৱনিৰ্মিত মন্দিৰ গৃহ উদ্বোধন কৰি এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে সমাজত শান্তি, সম্প্ৰীতি, ভাতৃত্ববোধ আৰু বন্ধুত্ব গঢ় দিবলৈ জনসাধাৰণ আধ্যাত্মিক চিন্তা-চেতনাৰে জাগৃত হ'ব লাগিব। সকলোৰে সংকল্প ল'ব লাগিব যে আমি এনে কাম কৰিম যি কামে আন দহ জনক উদ্বুদ্ধ কৰি তুলিব আৰু তেঁওলোকৰ মনত আদৰ্শ গঢ়ি তুলিব। শৃংখলাবদ্ধতা, নিয়মানুৱৰ্তিতা, সততা, নিষ্ঠাৰ দৰে মানৱীয় গুণৰ অধিকাৰী হ'ব পৰাকৈ নতুন চামটোৰে যাতে প্ৰাণ পাই উঠে সেই লক্ষ্যৰে সকলোকে কাম কৰিবলৈও মুখ্যমন্ত্ৰী সোণোৱালে আহ্বান জনায়।

মুখ্যমন্ত্ৰী সোণোৱালে লগতে কয় যে সমাজৰ জ্যেষ্ঠ সকলে বাটকটীয়াৰ ভূমিকা গ্ৰহণ কৰি কনিষ্ঠ সকলক ভাল আৰু বেয়া কামৰ পাৰ্থক্য সুস্পষ্টভাৱে দেখুৱাব লাগিব। জ্যেষ্ঠ সকলে এই কাম কৰিব নোৱাৰিলে ভৱিষ্যৎ প্ৰজন্মটো অনিশ্চয়তাৰ মাজলৈ গতি কৰিব বুলি উল্লেখ কৰি তেখেতে কয় যে অনিশ্চয়তাৰ মাজত অন্ধকাৰ আৰু বিশৃংখলতা আছে। কিন্তু নিশ্চয়তাৰ মাজত পোহৰ আৰু মানৱতা আছে। সেই নিশ্চয়তা প্ৰদান কৰাৰ দায়িত্ব সমাজৰ জ্যেষ্ঠ সকলে মূৰ পাতি ল'ব লাগিব বুলি মুখ্যমন্ত্ৰী সোণোৱালে কয়।

শতিকা গৰকা শ্ৰীশ্ৰী নৱগ্ৰহ নিৰামূহীয়া শিৱ মন্দিৰ জনমানসত জাগ্ৰত ৰূপৰ বৈদ্যনাথ শিৱ ৰূপে পৰিগণিত বুলি উল্লেখ কৰি মুধ্যমন্ত্ৰী সোণোৱালে এই মন্দিৰ চৌহদৰ বাবে ভূমি দান কৰা কৰ্ণেল শিৱৰাম বড়াৰ লগতে নৱগ্ৰহ মন্দিৰ আৰু শ্মশান পৰিচালনা সমিতিৰ সৈতে জড়িত বিহগী কবি ৰঘুনাথ চৌধাৰী, ডাঃ ভুৱনেশ্বৰ বৰুৱা, ডাঃ মাধৱ দাসৰ দৰে বৰেণ্য ব্যক্তি সকলৰ ভূমিকাৰ কথাও স্মৰণ কৰে।

উদ্বোধনী অনুষ্ঠানত শিক্ষামন্ত্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য, উদ্যোগ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সাংসদ তপন কুমাৰ গগৈ, ভানপুৰা পীঠৰ শংকৰাচাৰ্য জ্ঞানানন্দ তীৰ্থ মহাপ্ৰভু, সমাজকৰ্মী ফণীন্দ্ৰ নাথ শৰ্মা প্ৰমুখ্যে বহু গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

বীঃগঃ

ডিচেম্বৰ ৩০, ২০১৯